## অতি চমু প্ৰশ্নোত্তৰ (মূল্যাংক ঃ ১)

প্ৰশ্ন ঃ ১। সমাজ বিজ্ঞান কি?

উত্তৰ ঃ সমাজ বিজ্ঞান হৈছে মানৱ সমাজৰ এক বৈজ্ঞানিক অধ্যয়ন।

প্ৰশ্ন ঃ ২। কোনটো ভাষাৰ পৰা সমাজ বিজ্ঞান শব্দটো অনা হৈছে?

উত্তৰঃ লেটিন আৰু গ্ৰীক ভাষাৰ পৰা অনা হৈছে।

প্ৰশ্ন ঃ ৩। কোন দুটা শব্দৰ পৰা "Sociology" শব্দটো উদ্ভৱ হৈছে?

উত্তৰ ঃ লেটিন শব্দ 'Societus' আৰু গ্ৰীক শব্দ 'Logos পৰা উদ্ভৱ হৈছে।

প্ৰশ্ন ঃ ৪। **'Societus'** শব্দৰ অৰ্থ কি?

উত্তৰ ঃ সমাজ।

প্ৰশ্ন ঃ ৫। **Logos** শব্দৰ অৰ্থ কি?

উত্তৰ ঃ বিজ্ঞানৰ অধ্যয়ন।

প্ৰশ্ন ঃ ৬। **'Socius'** শব্দটোৰ অৰ্থ কি?

উত্তৰ ঃ সংগ বা সহযোগী।

প্ৰশ্ন ঃ ৭। **'Sociology'** নামৰ গ্ৰন্থখনৰ লেখক কোন?

উত্তৰ ঃ আগষ্ট ক'ট (Auguste Comte)

প্ৰশ্ন ঃ ৮। কোনে প্ৰথমে সমাজবিজ্ঞান শব্দটো ব্যৱহাৰ কৰিছিল?

উত্তৰ ঃ আগষ্ট ক'ট।

প্ৰশ্ন ঃ ৯। কাক সমাজবিজ্ঞানৰ পিতৃ বুলি কোৱা হয়।

উত্তৰ ঃ আগষ্ট ক'ট।

প্ৰশ্ন ঃ ১০। **'Principles of Sociology'** নামৰ পুথিখন কোনে ৰচনা কৰিছিল?

উত্তৰ ঃ হাৰ্বৰ্ট স্পেনচাৰ (1876)

Scanned with CamScanner

প্ৰশ্ন ঃ ১১৷ Leviathan গ্ৰন্থখনৰ ৰচক কোন?

উত্তৰ ঃ থমাছ হবচ্।

প্ৰশ্ন ঃ ১২। 'The Prince' গ্ৰন্থখন কোনে লিখিছিল?

উত্তৰ ঃ মেকিয়ভেলী।

প্ৰশ্ন ঃ ১৩। 'Social Contrast' গ্ৰন্থৰ ৰচক কোন?

উত্তৰ ঃ ৰু'ছ'

প্ৰশ্ন ঃ ১৪। Republic গ্ৰন্থৰ ৰচক কোন?

উত্তৰ ঃ প্লেট

প্ৰশ্ন ঃ ১৫। 'The Social Order' নামৰ গ্ৰন্থখন কেনে লিখিছিল?

উত্তৰ ঃ ৰবাৰ্ট বিয়েৰ ষ্টেদে্।

প্ৰশ্ন ঃ ১৬। সামাজিক সমূহ বা গোত্ৰ কাক বোলে?

উত্তৰ ঃ সামাজিক সমূহ হ'ল সমাজৰ বিভিন্ন মানুহে একে উদ্দেশ্যৰে গঠন কৰা এটা গোত্ৰ।

প্ৰশ্ন ঃ ১৭। সামাজিক সমূহৰ এটা বৈশিষ্ট লিখা।

উত্তৰঃ 'আমি' ভাৱ হ'ল সামাজিক সমূহৰ এক বৈশিষ্ট্য।

প্ৰশ্ন ঃ ১৮। প্ৰাথমিক গোত্ৰ বা সমূহৰ এটা উদাহৰণ দিয়া।

উত্তৰ ঃ পৰিয়াল গোত্ৰ।

প্ৰশ্ন ঃ ১৯। মাধ্যমিক সমূহৰ এক উদাহৰণ দিয়া।

উত্তৰ ঃ ৰেডক্ৰছ ছ'চাইটি।

খালী ঠাই পূৰ কৰা ঃ

১। Socius শব্দৰ অৰ্থ হৈছে ______।

উত্তৰ ঃ সহযোগী।

২। 'Ethology' শব্দটো ______ এ ব্যৱহাৰ কৰিছিল।

উত্তৰ ঃ জন ষ্টুৱাৰ্ট মিল।

৩৷ Societus শব্দৰ অৰ্থ হৈছে ______।

উত্তৰ ঃ সমাজ।

৪। Ethics and Polities' গ্ৰন্থখন ______ এ লিখিছিল।

উত্তৰ ঃ এৰিষ্টটল।

৫। হাৰবাৰ্ট স্পেনচাৰে ______ চনত Priciples of Sociology' নামৰ পুথিখন ৰচনা কৰিছিল।

উত্তৰ ঃ ১৮৭৬।

৬। সমাজবিজ্ঞান এক শুদ্ধ জ্ঞান' বুলি ______ মতাপোষণ কৰিছিল।

উত্তৰ ঃ ক'টে (Compte)

Scanned with CamScanner

৭। শিক্ষা সমাজবিজ্ঞানৰ পিতৃ আছিল ______।
উত্তৰ ঃ জৰ্ড পায়েন।
৮। "The Principles of Educational Sociology" নামৰ পুথিখনৰ ৰচক হ'ল—
উত্তৰ ঃ জৰ্জ পায়েনে।
৯। 'Sociology' নামৰ পুথিখন — চনত প্ৰকাশ হৈছিল।
উত্তৰ ঃ ১৮৩৯
১০। 'বিদ্যালয় আৰু সমাজ' নামৰ পুথিখন ______ এ ৰচনা কৰিছিল।
উত্তৰ ঃ জন ডিউই।
১১। 'গণতন্ত্ৰ আৰু শিক্ষা' নামৰ পুথিখনৰ ৰচক হ'ল ______
উত্তৰ ঃ জন ডিউই।
১২। জৰ্জ পায়েনে ______ চনত জাতীয় সমাজ গঠন কৰে।
উত্তৰ ঃ ১৯২৭।
১৩। স্পেনচাৰৰ 'First Principles' গ্ৰন্থখন ______ চনত প্ৰকাশ হয়।
উত্তৰ ঃ ১৮৬২
১৪। 'সামাজিক আন্তঃক্ৰিয়াৰ সমষ্টিয়ে হৈছে সামাজিক গোত্ৰ' কথাষাৰ ______ এ কৈছিল।
উত্তৰ ঃ জনচন (Johnson)
১৫। — গোত্ৰৰ আকাৰ ডাঙৰ হয়।
উত্তৰ ঃ মাধ্যমিক।
১৬। শিশুৰ গোত্ৰ ______ ৰ এক উদাহৰণ।
উত্তৰ ঃ প্ৰাথমিক।
১৭। পৰোক্ষ যোগদান — গোত্ৰৰ এক বৈশিষ্ট।
উত্তৰ ঃ মাধ্যমিক।
১৮। প্ৰাথমিক আৰু মাধ্যমিক গোত্ৰক — এ শ্ৰেণীবিভাজন কৰিছিল।
উত্তৰ ঃ কুলে (Cooley)

## চমু প্ৰশ্নোত্তৰ (মূল্যাংক ঃ ২)

প্ৰশ্ন ঃ ১। সমাজ বিজ্ঞানৰ চাৰিটা উৎপত্তিগত তাৎপৰ্য্য কি কি?
উত্তৰ ঃ সমাজ বিজ্ঞানৰ চাৰিটা উৎপত্তিগত তাৎপৰ্য্য হ'ল —
(ক) ৰাজনৈতিক দৰ্শন (খ) ঐতিহাসিক দৰ্শন
(গ) জৈৱিক তত্ত্ব (ঘ) সামাজিক আৰু ৰাজনৈতিক নৱজাগৰণ।

Scanned with CamScanner

**প্ৰশ্ন ঃ ২। আগষ্ট ক'টক কিয় সমাজ বিজ্ঞানৰ পিতৃ বুলি কোৱা হয়?**

**উত্তৰ ঃ** ফৰাচী দাৰ্শনিক আগষ্ট ক'টৰ বৰঙণিৰ বাবে ১৯ শ শতিকাত সমাজ শাস্ত্ৰই এক স্বকীয় বিষয় হিচাপে প্ৰতিষ্ঠা লাভ কৰে। ১৮৩৭ চনত ক'টই তেওঁৰ এক ভাষণত 'সমাজ বিজ্ঞান' শব্দটো ব্যৱহাৰ কৰিছিল। ১৮৩৯ চনত তেওঁ 'Sociology' নামৰ পুথি খনত সমাজবিজ্ঞানক আন আন বিজ্ঞানৰ দৰে এক স্বতন্ত্ৰ আৰু প্ৰণালীবদ্ধ বিজ্ঞান হিচাপে প্ৰতিষ্ঠা কৰে। সেয়েহে আগষ্ট ক'টক সমাজ বিজ্ঞানৰ পিতৃ বুলি কোৱা হয়।

**প্ৰশ্ন ঃ ৩। দাৰ্শনিক আগষ্ট ক'টৰ সমাজবিজ্ঞানৰ সম্পৰ্কে দিয়া সংজ্ঞাটো লিখা।**

**উত্তৰ ঃ** দাৰ্শনিক আগষ্ট ক'টৰ মতে 'সমাজবিজ্ঞান এক শুদ্ধ জ্ঞান' যাৰ দ্বাৰা সমাজৰ অধ্যয়ন পদ্ধতিগতভাৱে আৰু শুদ্ধভাৱে গৱেষণা কৰিব পাৰি।

**প্ৰশ্ন ঃ ৪। তলত দিয়া গ্ৰন্থসমূহৰ ৰচয়িতা সকলৰ নাম লিখা।**

দি ৰিপাব্লিক (The Republic), পলিটিস্ক (Politics), অৰ্থশাস্ত্ৰ (Analects), স্মৃতি (Smriti)

**উত্তৰ ঃ**

| | | |
|---|---|---|
| দি ৰিপাব্লিক | – | প্লেট' |
| পলিটিস্ক | – | এৰিষ্ট'টল |
| অৰ্থশাস্ত্ৰ | – | কৌটিল্য |
| স্মৃতি | – | মনু |

**প্ৰশ্ন ঃ ৫। তলত দিয়া গ্ৰন্থসমূহৰ লেখক সকলৰ নাম লিখা।**

Leviathan, The Prince, Utopia, New Atlantis, A Modern Utopia, Social Contract

**উত্তৰ ঃ**

| | | |
|---|---|---|
| Leviathan | – | থমাছ হবছ্ |
| The Prince | – | মেকিয়াভেলী |
| Utopia | – | থমাছ ম'ৰ |
| New Atlantis | – | বেকন |
| A Modern Utopia | – | এইচ জি. ৱেলছ |
| Social Contract | – | ৰুছ' |

**প্ৰশ্ন ঃ ৬। কেইজনমান আধুনিক সমাজ বিজ্ঞানৰ গুৰি ধৰোঁতাৰ নাম লিখা।**

**উত্তৰ ঃ** ৰবাৰ্ট মাৰ্টন (Robert Merton)

জন ষ্টুৱাৰ্ট মিল (Joh Stuart Mill)

এডৱাৰ্ড ছীল (Edward Seal)

**প্ৰশ্ন ঃ ৭। সমাজ বিজ্ঞানৰ কেইটামান উল্লেখযোগ্য সংজ্ঞা দাঙি ধৰা।**

**উত্তৰ ঃ** গিজিংৰে মতে, "সমাজ বিজ্ঞান সামাজিক পৰিঘটনাৰ বিজ্ঞানসম্মত অধ্যয়ন।"

এমিল দুৰখেইমৰ মতে, "সমাজবিজ্ঞান সামাজিক অনুষ্ঠানসমূহৰ বিজ্ঞান"।

Scanned with CamScanner

হব হাউছৰ মতে, "সমাজ বিজ্ঞানৰ বিষয়বস্তু হ'ল মানুহৰ মনৰ আন্তঃক্ৰিয়া সমূহৰ অধ্যয়ন।"

কিম্বল ইয়ং আৰু ডব্লিউ মেক্ৰ মতে, "সমাজ-বিজ্ঞান মানৱ জীৱনৰ সামাজিক দিশৰ বৈজ্ঞানিক অধ্যয়ন।"

**প্ৰশ্ন ঃ ৮। সমাজ বিজ্ঞানৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰা।**

**উত্তৰ ঃ** (ক) সমাজবিজ্ঞান এক স্বতন্ত্ৰ বিজ্ঞান।
(খ) সমাজবিজ্ঞান এক সামাজিক বিজ্ঞান।
(গ) সমাজবিজ্ঞান এক প্ৰকৃত বিজ্ঞান।
(ঘ) সমাজবিজ্ঞান এক প্ৰয়োগিক বিজ্ঞান।

**প্ৰশ্ন ঃ ৯। সমাজবিজ্ঞানৰ পৰিসৰ সম্পৰ্কে থকা ধাৰা দুটা কি কি?**

**উত্তৰ ঃ** (ক) স্বৰূপাত্মক বা বিশেষাত্মক চিন্তাগোষ্ঠী।
(খ) সমন্বয়াত্মক বা সংশ্লেষক বা চিন্তাগোষ্ঠী সংশ্লেষক।

**প্ৰশ্ন ঃ ১০। কেইজনমান সমাজ বিজ্ঞানৰ বিশেষাত্মক চিন্তাগোষ্ঠীৰ সমৰ্থকৰ নাম লিখা।**

**উত্তৰ ঃ** জৰ্জ ছিমেল, মেক্স বেবাৰ, ৱনৱেইজ, স্মল, ভিয়েৰ কাওট, টনিজ।

**প্ৰশ্ন ঃ ১১। কেইজনমান সমাজ বিজ্ঞানৰ সমন্বয়াত্মক চিন্তাগোষ্ঠীৰ সমৰ্থকৰ নাম লিখা।**

**উত্তৰ ঃ** দুৰখেইম, হব হাউছ, জিন্সবাৰ্গ, পিটিৰিম, এ ছৰকিন, হাৰ্বাৰ্ট স্পেনছাৰ।

**প্ৰশ্ন ঃ ১২। সমাজ বিজ্ঞানৰ অন্যতম পৃষ্ঠপোষক দুৰখেইমৰ মতে সমাজ বিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তুৰ ভাগ তিনিটা কি কি?**

**উত্তৰ ঃ** (ক) সামাজিক সংগঠন তত্ত্ব
(খ) সামাজিক অবয়ব
(গ) সাধাৰণ সমাজ বিজ্ঞান।

**প্ৰশ্ন ঃ ১৩। সমন্বয়াত্মক চিন্তাগোষ্ঠীৰ সমৰ্থনকাৰী "মৰিচ জিন্সবাৰ্ণ"ৰ মতে সমাজ বিজ্ঞানৰ অৰ্থ কি কি?**

**উত্তৰ ঃ** (ক) সামাজিক সংগঠন তত্ত্ব
(খ) সামাজিক নিয়ন্ত্ৰণ
(গ) সামাজিক প্ৰক্ৰিয়াসমূহ
(ঘ) সামাজিক ৰোগবিজ্ঞান

**প্ৰশ্ন ঃ ১৪। কাৰ্ল মেনহেইমে সমাজবিজ্ঞানক দুটা ভাগত ভাগ কৰি অধ্যয়নৰ বিষয়বস্তু অন্তৰ্ভুক্ত কৰিছে। ভাগ দুটা কি কি?**

**উত্তৰ ঃ** (ক) পদ্ধতিগত আৰু সাধাৰণ সমাজবিজ্ঞান
(খ) ঐতিহাসিক সমাজবিজ্ঞান

Scanned with CamScanner

**প্ৰশ্ন ঃ ১৫।** অধ্যাপক পিটিৰিম ছৰকিনৰ মতে সমাজ বিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তুৰ ভাগ তিনিটা কি কি?

**উত্তৰ ঃ** (ক) বিভিন্ন সামাজিক ঘটনাৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে অধ্যয়ন।

(খ) সামাজিক আৰু অসামাজিক ঘটনাৰ মাজত থকা আন্তঃসম্পৰ্কৰ অধ্যয়ন।

(গ) সকলো প্ৰকাৰৰ সামাজিক ঘটনাৰ সাধাৰণ চৰিত্ৰৰ বিষয়ে অধ্যয়ন কৰা।

**প্ৰশ্ন ঃ ১৬। আধুনিক সমাজ বিজ্ঞানী এলেক্স ইনকেলচৰ মতে সমাজবিজ্ঞানৰ বিষয়বস্তুৰ প্ৰকাৰ চাৰিটা কি কি?**

**উত্তৰ ঃ** (ক) সমাজতাত্ত্বিক বিশ্লেষণ

(খ) সামাজিক জীৱনৰ প্ৰাথমিক গোট

(গ) প্ৰাথমিক সামাজিক অনুষ্ঠানসমূহ

(ঘ) মৌলিক সামাজিক প্ৰক্ৰিয়াসমূহ

**প্ৰশ্ন ঃ ১৭। শিক্ষা সমাজ বিজ্ঞানৰ সংজ্ঞা লিখা।**

**উত্তৰ ঃ** অটবৈৰ মতে "শিক্ষা আৰু সমাজৰ মাজত থকা সম্বন্ধৰ বৈজ্ঞানিক অধ্যয়নেই শিক্ষা সমাজ বিজ্ঞান।"

ৰউচ্চেকৰ মতে "শিক্ষা সমাজবিজ্ঞান এক সমাজ বিজ্ঞান য'ত শিক্ষাৰ মৌলিক সমস্যা সমাধানত প্ৰয়োগ কৰা হয়।

গুডৰ মতে, "শিক্ষা সমাজবিজ্ঞান হৈছে মানুহে কেনেকৈ সামাজিক দলসমূহৰ লগত জীয়াই থাকে তাৰ এক বিজ্ঞান সন্মত অধ্যয়ন।"

ব্ৰাউনৰ মতে, "শিক্ষা সমাজবিজ্ঞান হৈছে ব্যক্তিৰ অন্তঃমৰ্যাদা আৰু সাংস্কৃতিক পৰিবেশৰ এক অধ্যয়ন য'ত ব্যক্তিসকল, সামাজিকসমূহ আৰু আচৰণৰ সংগঠনসমূহক সাঙুৰি লয়।

**প্ৰশ্ন ঃ ১৮। শিক্ষা সমাজ বিজ্ঞানৰ লক্ষ্য লিখা।**

**উত্তৰ ঃ** (ক) বৰ্তমানৰ সামাজিক পৰিবেশৰ অধ্যয়ন কৰা।

(খ) ব্যক্তিক সমাজীকৰণ কৰা।

(গ) সামাজিক সংগঠনৰ অধ্যয়ন কৰা।

(ঘ) শিক্ষাৰ সমস্যাসমূহক সামাজিক দৃষ্টিভংগীৰে ব্যাখ্যা কৰা।

**প্ৰশ্ন ঃ ১৯। শিক্ষা সমাজবিজ্ঞানৰ দুটা প্ৰকৃতি লিখা।**

**উত্তৰ ঃ** (ক) শিক্ষা সমাজবিজ্ঞানে শিক্ষা আৰু সমাজৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰে।

(খ) শিক্ষা সমাজবিজ্ঞানে শিক্ষাৰ ওপৰত সমাজৰ প্ৰভাৱ সম্পৰ্কে বিচাৰ বিবেচনা কৰে।

**প্ৰশ্ন ঃ ২০। সমাজ বিজ্ঞানৰ পৰিসৰৰ দুটা দিশ উল্লেখ কৰা।**

**উত্তৰ ঃ** (ক) শিক্ষা সমাজ বিজ্ঞানে ছাত্ৰ ছাত্ৰী আৰু শিক্ষাক্ষেত্ৰত তেওঁলোকৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়ন কৰে।

Scanned with CamScanner

(খ) শিক্ষাত সামাজিক দৰ্পণ আৰু সংস্কৃতিৰ প্ৰভাৱ সম্পৰ্কে শিক্ষা সমাজ বিজ্ঞানে বিবেচনা কৰে।

**প্ৰশ্ন ঃ ২১। 'এমিল দুৰখেইমে' শিক্ষা আৰু সমাজবিজ্ঞানৰ সম্বন্ধ বিচাৰ কৰি ৰচনা কৰা পুথি তিনিখনৰ নাম লিখা।**

**উত্তৰ ঃ** (ক) শিক্ষা আৰু সমাজ , 1922

(খ) নৈতিক শিক্ষা, 1925

(গ) শৈক্ষিক চিন্তাৰ ক্ৰমবিকাশ ফ্ৰান্সৰ মাধ্যমিক শিক্ষাৰ গঠন আৰু বিকাশ সম্পৰ্কীয় বক্তৃতাসমূহ, 1938

**প্ৰশ্ন ঃ ২২। সামাজিক দিশৰ ওপৰত ভিত্তি কৰি লিখা জন ডিউইৰ কিতাপ দুখনৰ নাম লিখা।**

**উত্তৰ ঃ** (ক) Democracy and Education.

(খ) The School and Society

**প্ৰশ্ন ঃ ২৩। জৰ্জ পায়েনেৰ মতে সমাজতাত্ত্বিক দৃষ্টিভংগীত শিক্ষাই কেই প্ৰকাৰে কাৰ্য পৰিচালনা কৰে বুলি মন্তব্য কৰে ?**

**উত্তৰ ঃ** তিনি প্ৰকাৰে —

(ক) পৰম্পৰা সমূহ সংমিশ্ৰণ কৰণ

(খ) নতুন সামাজিক আদৰ্শৰ বিকাশ

(গ) সৃজনাত্মক আৰু গঠনাত্মক ভূমিকা গ্ৰহণ।

**প্ৰশ্ন ঃ ২৪। সামাজিক সমূহৰ অৰ্থ ব্যাখ্যা কৰা।**

**উত্তৰ ঃ** সাধাৰণতে সামাজিক সমূহৰ অৰ্থ হ'ল সমাজৰ বিভিন্ন মানুহে একে উদ্দেশ্যৰে গঠন কৰা এটা গোটৰ সমষ্টি। সামাজিক সমূহ হৈছে সমাজ জীৱনৰ পটভূমিস্বৰূপ। সমূহ হ'ব লাগিলে সেই সমূহৰ ব্যক্তিসকলৰ আন্তঃ সম্বন্ধ অতি প্ৰয়োজনীয়। আমেৰিকাৰ বিখ্যাত সমাজতত্ত্ববিদ আলবিয়ন স্মলে ১৯০৫ চনত সামাজিক সমূহৰ বিষয়ে বহলভাৱে আলোচনা কৰিছিল।

**প্ৰশ্ন ঃ ২৫। সামাজিক সমূহৰ দুটা উপাদান কি কি ?**

**উত্তৰ ঃ** সামাজিকসমূহৰ দুটা উপাদান হ'ল— (ক) সম উদ্দেশ্য

(খ) সহযোগিতা

**প্ৰশ্ন ঃ ২৬। সামাজিক সমূহৰ সংজ্ঞা দুটা লিখা।**

**উত্তৰ ঃ** সমাজতত্ত্ববিদ জনছনৰ মতে, "সামাজিক আন্তঃক্ৰিয়াৰ সমষ্টিয়ে হৈছে সামাজিক সমূহ।"

মেক আইভাৰ আৰু পেজৰ মতে, "পৰস্পৰ সামাজিক বান্ধোনত বান্ধ খাই থকা লোকসকলৰ যিকোনো এটা সমষ্টিয়ে হৈছে সামাজিক সমূহ।"

Scanned with CamScanner

**প্ৰশ্ন ঃ ২৭। সামাজিক সমূহৰ দুটা বৈশিষ্ট্য লিখা।**

**উত্তৰ ঃ** (ক) **ব্যক্তিৰ সমষ্টি ঃ** সামাজিক সমূহ গঠন হ'বলৈ হ'লে দুই বা ততোধিক ব্যক্তিৰ প্ৰয়োজন। এজন ব্যক্তিয়ে অকলে কেতিয়াও দল বা সমূহ গঠন কৰিব নোৱাৰে।

(খ) **আকাৰ ঃ** সামাজিক সমূহ বিভিন্ন আকাৰৰ হ'ব পাৰে। দুজন ব্যক্তিৰ সহায়ত এটা সামাজিক সমূহ গঠন হ'ব পাৰে বা কেইবাজনো ব্যক্তিৰ দ্বাৰাও এটা সমূহ গঠন হ'ব পাৰে।

**প্ৰশ্ন ঃ ২৮। ইংলেণ্ডৰ মনোবিজ্ঞানী জেমছ ড্ৰেভাৰে সামাজিক দৃষ্টিকোণেৰে সমূহক কেইটা ভাগত ভাগ কৰিছে আৰু কি কি?**

**উত্তৰ ঃ** (ক) জুম সদৃশ, (খ) সংঘ সদৃশ আৰু (গ) সম্প্ৰদায় সদৃশ

**প্ৰশ্ন ঃ ২৯। সাংগঠনিক দৃষ্টিকোণৰ পৰা চেণ্ডাৰচনে সামাজিক সমূহক কেইটা ভাগত ভাগ কৰিছে আৰু কি কি?**

**উত্তৰ ঃ** (ক) ইচ্ছাকৃত, (খ) ইচ্ছা বিৰুদ্ধ আৰু (গ) প্ৰতিনিধি মূলক

**প্ৰশ্ন ঃ ৩০। হেচেনে সামাজিক সমূহক কেইটা ভাগত ভাগ কৰিছে আৰু কি কি?**

**উত্তৰ ঃ** তিনিটা—(ক) অসামাজিক, (খ) মিথ্যা সামাজিক, (গ) সমাজ বিৰোধী।

Scanned with CamScanner